জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৮৫/২০২৩

# ঢকুৱাখনাত আয়োজিত ফাট বিহুৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## ফাট বিহুস্থলীক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ পৰিণত কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

## জাতীয় আত্মবিশ্বাস, গৌৰৱ আৰু সাহসৰ সমাহাৰেৰে বিহু প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ প্ৰতীকত পৰিণত হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ঢকুৱাখনাত আয়োজিত ফাট বিহুৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে আৰু ফাট বিহু উদ্‌যাপনস্থলীক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দুলৈ পৰিণত কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ ঘোষণা কৰে।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জাতীয় আত্মবিশ্বাস, গৌৰৱ আৰু সাহসৰ সমাহাৰেৰে বিহু প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ প্ৰতীকত পৰিণত হৈছে। চহাজীৱনৰ লোকসংস্কৃতিৰে বিধৌত বিহুৰ বৰ্ণিলৰূপে সাংস্কৃতিক চেতনাৰে আগুৱাই যাবলৈ সকলোকে অনুপ্ৰাণিত কৰি আহিছে। বসন্তকালীন এই উৎসৱৰ লগত জড়িত হৈ আছে প্ৰকৃতিৰ প্ৰতি থকা আমাৰ আত্মিকতা আৰু লোকজীৱনৰ বৈচিত্ৰ। মুখ্যমন্ত্ৰীয়ে কয় যে বিহু অসমৰ প্ৰকৃত সংস্কৃতি বুলি আখ্যায়িত কৰিব পাৰি। বিহু সৃষ্টি হৈছিল বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক সমলৰ মিলনৰ ফলস্বৰূপে। তেওঁ লগতে কয় যে বিহু সৃষ্টি হৈছিল কৃষিজীৱী সমাজৰ প্ৰয়োজনৰ আধাৰত। বিহু অসমীয়া জাতিৰ পৰিচয় আৰু জাতীয় জীৱনৰ আয়ুষৰেখা হৈ পৰিছে বুলিও তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে আহোম ৰাজবংশৰ দিনত বিহু উৎসৱে আনুষ্ঠানিকভাৱে ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিবলৈ সমৰ্থ হয় আৰু প্ৰাক্‌ঐতিহাসিক কালৰে পৰা অসমলৈ অহা বিভিন্ন জনগোষ্ঠীয় কৃষ্টিৰ মনোৰম সমন্বয় আজিৰ বিহুৰ মাজত দেখিবলৈ পোৱা যায়। তেওঁ কয় যে বিহু অষ্ট্ৰলয়ড, দ্ৰাবিড়ী, মঙ্গলয়ড আৰু কেকেচাছ জনগোষ্ঠীৰ সাংস্কৃতিক মিলনৰ অপূৰ্ব নিদৰ্শন বুলি ক'ব পাৰি। আহোম ৰজাৰ পৃষ্ঠপোষকতাই তেওঁলোকৰ শাসনাধীন সকলো সামাজিক গোটকে এই উৎসৱ পালন কৰাৰ উদ্যম যোগাইছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলস্বৰূপে বিভিন্ন লোকসমষ্টি বা জনগোষ্ঠীসকলে পৰম্পৰাগতভাৱে কৰি অহা তেওঁলোকৰ নৃত্য-গীতৰ কিছু উপাদান স্বতস্ফূৰ্ত ভাৱে বিহুৰ নৃত্য-গীত আৰু বাদ্যৰ লগত সংযোজিত কৰিছিল।

মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ফাট বিহু বৃহত্তৰ ঢকুৱাখনাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাপতিসাহোন। প্ৰাচীন কালৰে পৰা এই ফাট বিহুৱে সমন্বয়ৰ বাৰ্তা বহন কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ফাট বিহুৰ এক ঐতিহাসিক গুৰুত্ব আছে। আহোমৰ ৰাজত্বৰ সময়তে এই বিহুৱে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সমাদৰ লাভ কৰিছিল। ভূটান, অৰুণাচল, চিকিম, নাগালেণ্ডকে ধৰি ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ জনসাধাৰণে এই ফাট বিহুক আকোঁৱালি লৈছিল। নৈপৰীয়া ঐতিহ্যৰ মাজেৰে সংস্কৃতিয়ে কিদৰে জীৱন্তৰূপ লাভ কৰিব পাৰে সেয়া ফাট বিহুৰ মাজেৰে ওপলব্ধি কৰিব পাৰি। ফাট বিহু উদ্‌যাপনৰ এনে অভিনৱ আয়োজনৰ বাবে উদ্‌যাপন সমিতিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ফাট বিহুৰ দৰে পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ বৰ্ণাঢ্য আয়োজনে অসমৰ পৰ্যটন খণ্ডত নতুন মাত্ৰা যোগ দিব। বৰপেটাৰ দৌল উৎসৱ, জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা, ঢকুৱাখনাৰ ফাট বিহু, ধেমাজিৰ আলি আয়ে লৃংগা, শিৱসাগৰৰ মে-ডাম-মে-ফী আৰু মাজুলীৰ ৰাস উৎসৱকে ধৰি এশ এবুৰি উৎসৱে অসমৰ সাংস্কৃতিক পৰ্যটনৰ উজ্জ্বল সম্ভাৱনাক বহন কৰিছে। এই অনুষ্ঠানসমূহে অসমৰ সাংস্কৃতিক বোঁৱতি সুঁতিটোক চিৰ প্ৰৱাহমান কৰি ৰাখিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ব'হাগৰ সৈতে অসমীয়া জাতিৰ সম্পৰ্ক সদায়ে সুকীয়া। অসমীয়াৰ বাবে পৰিৱৰ্তন তথা ন-উদ্যমৰ বতৰা লৈ ব'হাগ আহে বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে, মানব ডেকা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ আগতে মুখ্যমন্ত্ৰীয়ে নৰোৱা সত্ৰ, বাসুদেৱ থান দৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ লেখীয়াকৈ নৰোৱা সত্ৰক সামাজিক-সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও কয়।

**সুঃদঃ / পুঃডেঃ**
**১৪/৫/২০২৩**